**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। দেশৰ ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলত আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

২। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি কেৰালামত প্ৰচাৰ চলাব।

৩। নতুন দিল্লীত থকা প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু পুথিভঁৰালে **দি আৰ্কাইভছ অৰ পি এম এম এল** শীৰ্ষক এখন প্ৰদৰ্শনীৰ আয়োজন কৰিছে।

৪। মধ্য আফগানিস্তানত কালি সন্ধিয়া অহা ভূমিকম্পত কমেও ৮ জন লোকৰ মৃত্যু হয়। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে, চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

দেশৰ ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৪ দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

কেৰালাম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত শাসক-বিৰোধী দলৰ প্ৰাৰ্থীসকলে তাৰকা প্ৰচাৰকক লৈ ব্যাপক প্ৰচাৰ চলাই আছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিৰুৱাল্লাত এখন ৰাজহুৱা সভাত অংশ ল'ব। ইয়াৰ পাছত তেওঁ তিৰুৱনন্তপুৰমত এটা ৰোড শ্ব'ত ভাগ ল'ব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী দলৰ সভাপতি ৰাহুল গান্ধীয়ে আজি আলাপ্পুঝাত ইউ ডি এফৰ প্ৰচাৰ অভিযানত অংশ ল'ব। তেওঁ লগতে কোচি আৰু কুন্নাথুনাড়ত নিৰ্বাচনী প্ৰচাৰ চলাব। ইপিনে চি পি এ এম সাধাৰণ সচিব এম এ বেবীয়ে কোট্টায়ামত এল ডি এফৰ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, মুখ্যমন্ত্ৰী তথা অন্যান্য ৰাষ্ট্ৰীয় নেতাসকলে কেৰালাৰ বিভিন্ন জিলাত সক্ৰিয়ভাৱে প্ৰচাৰ চলায় আছে। তেওঁলোকে কাইলৈও নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশ ল'ব।

ইপিনে অসমত কালি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰে কাৰিকৰী বিজুতিৰ বাবে গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰচাৰ অভিযান বাতিল হয় যদিও তেওঁ ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰচাৰ সভাত ভাষণ দিয়ে। ইয়াৰ পাছত শ্ৰীশ্বাহে দুধনৈ আৰু পলাশবাৰীৰ দলীয় প্ৰচাৰ সভাত অংশ লয়।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত প্ৰচাৰ সভাত অংশ লয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলায়।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। সৰুপথাৰত বিৰোধী মিত্ৰজোটৰ হৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড০ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীয়ে পশ্চিমবংগৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, কলকাতাৰ আৰক্ষী আয়ুক্ত, আৰক্ষী অতিৰিক্ত সঞ্চালক প্ৰধান, আৰক্ষী মহাপৰিদৰ্শক, জিলা দণ্ডাধীশ, আৰক্ষী আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু আৰক্ষী অধীক্ষক সকলক ৰাজ্যখনত বিধানসভা নিৰ্বাচন স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন হোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। তেওঁলোকে কয়, যে ভোটদাতাসকলে ভীতিহীনভাৱে ভোটদান কৰিবলৈ অহাটো নিশ্চিত কৰিব লাগে আৰু নিৰ্বাচনী প্ৰক্ৰিয়া হিংসাত্মক ঘটনা, ভাবুকি অথবা প্ৰলোভনৰ পৰা মুক্ত হোৱা উচিত।

০০০০০

নতুন দিল্লীত থকা প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু পুথিভঁৰালে **দি আৰ্কাইভছ অৱ পি এম এম এল** শীৰ্ষক এখন প্ৰদৰ্শনীৰ আয়োজন কৰিছে। জনসাধাৰণে এই প্ৰদৰ্শনীত আধুনিক ভাৰতৰ ইতিহাসৰ কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিব। এইসমূহৰ ভিতৰত মহাত্মা গান্ধীৰ পত্ৰ, প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু অটল বিহাৰী বাজপেয়ীৰ পত্ৰ অন্যতম। এই পদক্ষেপৰ জৰিয়তে ভাৰতৰ বৰ্ণিল ঐতিহ্যৰ বিষয়ে জনসাধাৰণৰ মাজত বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত সজাগতা প্ৰসাৰৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয় আৰু পুথিভঁৰালৰ যুটীয়া সঞ্চালক ৰবি কে মিশ্ৰাই কয়, যে এই প্ৰদৰ্শনীত প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ TRYST OF DESTINY-ৰ হাতে লিখা খচৰা, প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী জৰুৰীকালীন অৱস্থাৰ সময়ত লোকনায়ক জে পি নাৰায়ণলৈ লিখা পত্ৰকে ধৰি ১৫ বিধ গুৰুত্বপূৰ্ণ তথ্য প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনী অহা ১৪ এপ্ৰিললৈ জনসাধাৰণৰ বাবে খোলা থাকিব।

০০০০০

ন্যায়ালয়ে কালি পশ্চিমবংগৰ মালদাত সংঘটিত কালিয়াচকৰ আক্ৰমনৰ ঘটনাৰ সৈতে জড়িত মূল অভিযুক্ত মুফাক্কেৰুল ইছলামক ১৪ দিন আৰু আক্ৰামুল বেগনিক ক্ৰমে ৬ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিছে। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়াৰ ৪০জনীয়া এটা দল কালিয়াচক টুৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত সাতগৰাকী ন্যায়িক বিষয়াক ঘেৰাও কৰি ৰখা ঘটনাৰ তদন্তৰ বাবে উপস্থিত হয়। তদন্তকাৰী দলটোৱে কেন্দ্ৰীয় বাহিনীয়ে বিষয়াসকলক উদ্ধাৰৰ সময়ত কৰা আক্ৰমনৰ ঘটনাৰো তদন্ত কৰিব। দুয়োগৰাকী মূল অভিযুক্তই

খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ আক্ৰমনৰ ঘটনাত আক্ৰমনকাৰীসকলক উৎসাহ যোগাইছিল। প্ৰতিবাদকাৰীসকলে ভোটাৰ তালিকাত নিজৰ নাম সন্নিৱিষ্ট কৰাৰ দাবী জনাই বিষয়াসকলক কমেও ন ঘণ্টা সময় পানী আৰু খাদ্য খাব নিদিয়াকৈ আৱদ্ধ কৰি ৰিখিছিল। কালি নিয়াৰ দলটো মথাবাৰী আৰক্ষী থানাত উপস্থিত হোৱাৰ লগতে খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়টোও পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি বিশাখাপট্টনমত নৌ বিজ্ঞান আৰু প্ৰযুক্তি পৰীক্ষাগাৰত অত্যাধুনিক বৃহৎ কেভিটেশ্যন সুৰংগৰ আধাৰশিলা স্থাপন কৰে।

আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থকা বিজ্ঞানী আৰু বিষয়াসকলক সম্বোধন কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে এই সুবিধাই নৌ ব্যৱস্থাৰ আৰ্হি প্ৰস্তুত, উন্নয়ন আৰু জটিল পৰীক্ষণ আদি থলুৱাভাৱে সম্পন্ন কৰাত সহায় কৰাৰ লগতে বিদেশী আন্তঃগাঠনিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই কেভিটেশ্যন সুৰংগ এটা সচ্ছ পদক্ষেপ, যাৰ জৰিয়তে গৱেষণা পৰিচালনা, কোলাহল হ্ৰাস, চাবমেৰিন আৰু জাহাজৰ গুপ্ত আঘাত ৰোধৰ সামৰ্থ্য বৃদ্ধি কৰিব।

00000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দিনজোৰা কাৰ্যসূচীৰে বিহাৰলৈ যাব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মতিহাৰীৰ মাহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ তৃতীয় সমৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। শ্ৰীৰাধাকৃষ্ণণে লগতে পশ্চিম চম্পাৰণৰ ভিটিহাৰ্‌ৱা গান্ধী আশ্ৰমো পৰিদৰ্শন কৰিব।

00000

মধ্য আফগানিস্তানত কালি সন্ধিয়া অহা ভূমিকম্পত কমেও ৮ জন লোকৰ মৃত্যু হয়। সিন্ধু কুশত সৃষ্টি হোৱা ৫ দশমিক ৮ প্ৰাবল্যৰ এই ভূমিকম্পই আফগানিস্তান আৰু পাকিস্তানৰ বিভিন্ন অংশ জোকাৰি যায়। আফগানিস্তানৰ সংবাদ সংস্থাই প্ৰকাশ কৰা মতে ভূমিকম্পত মধ্য কাবুলৰ বাগ্ৰামী জিলাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। এজন লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি দেশখনৰ তথ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। জাৰ্মান ভূ-বৈজ্ঞানিক গৱেষণা কেন্দ্ৰই এই ভূমিকম্প ভূ-গৰ্ভৰ ১৮১ কিলোমিটাৰ গভীৰত উৎপত্তি হৈছিল বুলি জনাইছে। প্ৰাৰম্ভিক অৱস্থাত ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৫ দশমিক ৯ আছিল যদিও পাছত ইয়াৰ প্ৰাবল্য ৫ দশমিক ৮ লৈ হ্ৰাস পায়। কাশ্মীৰতো ভূমিকম্পৰ জোকাৰণি অনুভূত হয়।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে, চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱে ২১০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। প্ৰতিযোগিতাত এতিয়ালৈকে নিজৰ দুয়োখন খেলতে চেন্নাই পৰাজিত হৈছে। পাঞ্জাৱৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে সৰ্বাধিক ৫০ ৰান কৰে। দলৰ হৈ ৩৯ ৰানৰ বৰঙণি আগবঢ়োৱা প্ৰিয়াংছ আৰ্যাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৯ ৰান সংগ্ৰহ কৰে। আয়ুষ মাহাত্ৰেই সৰ্বাধিক ৭৩ ৰান কৰে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

নতুন দিল্লীৰ জৱহৰলাল নেহৰু  ষ্টেডিয়ামত কালি অনুষ্ঠিত ইণ্ডিয়ান চুপাৰ লীগ ফুটবল প্ৰতিযোগিতাত  পঞ্জাৱ ফুটবল ক্লাৱে মহমেদান স্প'ৰ্টিঙ ক্লাৱক ২-১ গ'লত পৰাস্ত কৰে। এই বিজয়ৰ সুবাদত  পঞ্জাৱ এফ চিয়ে ১১ পইণ্ট লাভ কৰি ৰেংকিঙৰ পঞ্চম স্থানলৈ উত্তীৰ্ণ হয়। আনহাতে  মহমেদান স্প'ৰ্টিঙ ক্লাৱে কোনোধৰণৰ পইণ্ট লাভ নকৰিলে। পঞ্জাৱ এফ চিৰ ডনী ৰামিৰেজক প্লেয়াৰ অৱ দ্যা মেটচ ঘোষণা কৰা হয়।

০০০০০

মালদ্বীপৰ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত ছাফ পুৰুষৰ ২০ বছৰ অনূৰ্ধ চেম্পিয়নশ্বিপৰ ফাইনেলত কালি বাংলাদেশে ভাৰতক ৪-৩ পেনাল্টিত পৰাস্ত কৰে। এয়া হৈছে বাংলাদেশৰ দ্বিতীয়বাৰৰ বাবে ছাফ ২০ বছৰ অনূৰ্ধ চেম্পিয়নশ্বিপৰ খিতাপ দখল। প্ৰতিযোগিতাৰ নিৰ্ধাৰিত সময়ত দুয়োটা দলে এটাও গ’ল নকৰাকৈ খেলখন সামৰণি পৰাত পাছত পেনাল্টি শ্বুটআউটত বাংলাদেশৰ হাতত ভাৰত পৰাস্ত হয়। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ৩-০ গ’লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল। একেদৰে বাংলাদেশেও পাকিস্তানক ২-০ গ’লৰ ব্যৱধানত পৰাস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰিছিল।

০০০০০

সমাপ্ত